**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে আৱৰ্জনা ব্যৱস্থাপনা আৰু বহনক্ষমতাৰ দৰে প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ সামাজিক আৰু অৰ্থনৈতিক দৃষ্টিভংগীৰ লগতে প্ৰযুক্তিগত দক্ষতাৰো অতিকৈ প্ৰয়োজন।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন কৰে।

৩। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে পূৰ্বৰ এম জি এনৰেগা আঁচনিত থকা আসোঁৱাহসমূহ দূৰ কৰাৰ উদ্দেশ্যৰে কেন্দ্ৰীয় চৰকাৰে বিকশিত ভাৰত জি ৰাম জি আইন কাৰ্যকৰী কৰিছে বুলি মন্তব্য কৰিছে। ***আৰু***

৪। জম্মুৰ মৌলানা আজাদ ষ্টেডিয়াম স্কেটিং ৰিংকত আজিৰে পৰা সপ্তদশ জুনিয়ৰ ৰোল বল ৰাষ্ট্ৰীয় প্ৰতিযোগিতা আৰম্ভ হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে বৰ্তমান সময়ত আমাৰ দেশে মুখামুখি হোৱা আৱৰ্জনা ব্যৱস্থাপনা আৰু বহনক্ষমতাৰ দৰে প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ সামাজিক আৰু অৰ্থনৈতিক দৃষ্টিভংগীৰ লগতে প্ৰযুক্তিগত দক্ষতাৰো অতিকৈ প্ৰয়োজন। আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান জমছেদপুৰৰ পঞ্চদশ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে কয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক প্ৰযুক্তিগত বিকাশক মানৱ কল্যানৰ হকে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। শিক্ষানুষ্ঠানসমূহক কেৱল ফলাফল তালিকাৰ উচ্চ স্থান আৰু সংস্থাপনৰ ভিত্তিতেই নহয় বৰং সমাজৰ প্ৰতি তেওঁলোকৰ অৱদানৰ ভিত্তিতো মূল্যাংকন কৰা উচিত।

ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি জামছেদপুৰৰ কাৰাণ্ডি এলেকাত আয়োজিত অল চিকি লিপিৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে পৰম্পৰাগতভাৱে জাহেৰথানত পুজা অৰ্চনা কৰাৰ লগতে অল চিকি লিপিৰ প্ৰৱৰ্তক পণ্ডিত ৰঘুনাথ মুৰ্মুৰ প্ৰতিমুৰ্তিত মাল্যৰ্পন কৰি শ্ৰদ্ধা নিবেদন কৰে।

২২ সংখ্যক পাৰ্চি মহা সন্থালী সন্মিলনত মাতৃভাষাত ভাষণ প্ৰদান কৰি শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় সংবিধানখন সন্থালী ভাষাৰ অল চিকি লিপিত অনুবাদ কৰাৰ বাবে প্ৰশংসা কৰে। তেওঁ লগতে কয় যে অল চিকি লিপিত অনুবাদৰ সাধনসমূহ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ বিকাশ হলেও তেওঁ সুখী হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে সন্থালী ভাষাত জাহেৰ আয়ো নেহোৰ গীতটি পৰিবেশন কৰে। ৰঘুনাথ মুৰ্মুৰ প্ৰচেষ্টাক প্ৰশংসা কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে পণ্ডিত ৰঘুনাথ মুৰ্মুৰ প্ৰচেষ্টাৰ বাবে অল চিকি লিপিৰ শতবাৰ্ষিক উদযাপন সম্ভৱ হৈ উঠিছে। ঝাৰখণ্ডৰ ৰাজ্যপাল সন্তোষ কুমাৰ গংগাৱাৰ আৰু মুখ্যমন্ত্ৰী হেমন্ত চোৰেণেও সন্থালী ভাষা আৰু অল চিকি লিপিক বিশ্বব্যাপি স্বীকৃতি প্ৰদান কৰাৰ বাবে সৰ্বভাৰতীয় সন্থালী লেখক সন্থাৰ প্ৰচেষ্টাৰ শলাগ লয়।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দিনযোৰা কাৰ্যসূচীৰে অসমলৈ আহি নগাঁৱৰ বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত দিয়া ভাষণত শ্ৰীশ্বাহে এই প্ৰকল্প উদ্বোধন কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ বাবে ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীমন্ত শংকৰদেৱৰ দৰে মহান ব্যক্তিত্ব ভাৰতত জন্মগ্ৰহণ কৰাটো সৌভাগ্যৰ কথা বুলিও তেওঁ প্ৰকাশ কৰে। ভাষণত শ্ৰীশ্বাহে লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু ছহিদ কনকলতা বৰুৱাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বিগত কেইটামান বছৰত অসম দেশৰ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলিও তেওঁ উল্লেখ কৰে।

এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱন আৰু স্বয়ংচালিত নগৰ নিৰীক্ষণ ব্যৱস্থা মুকলি কৰে। ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱনত ৪০০ গৰাকী বিষয়াৰ বাবে সু-ব্যৱস্থা থকাৰ উপৰি আৰক্ষীৰ সকলো শাখা সংযুক্ত কাৰ্যালয়, একত্ৰিত প্ৰমাণীকৰণ শাখা আদি আছে। গৃহমন্ত্ৰীগৰাকীয়ে নতুন ফৌজদাৰী আইন সম্পৰ্কীয় এখন প্ৰদৰ্শনী মুকলি কৰাৰ উপৰি ৰাজ্যৰ প্ৰতিখন জিলা ভ্ৰমণ কৰিবলগীয়া ফৰেণচিক বাহনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। শ্ৰীশ্বাহে খানাপাৰাত নৱ-নিৰ্মিত ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰে। ৪৫ বিঘা এলেকাজুৰি ২৯১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, অত্যাধুনিক দৃশ্য-শ্ৰব্য ব্যৱস্থা, ডিজিটেল আন্তঃগাঁথনিকে ধৰি ভালেমান উন্নত মানৰ ব্যৱস্থা ৰখা হৈছে। শ্ৰীশ্বাহে বৰাগাঁৱত নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ ৮৬০গৰাকী বীৰ শ্বহীদৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ০০০

০০০০

কেন্দ্ৰীয় চৰকাৰে গংগা নদীৰ উপত্যকা অঞ্চলত লুপ্তপ্ৰায় চৰাইৰ প্ৰজাতিসমূহৰ সংৰক্ষণৰ বাবে, বালিচৰত বাহ সাজি থকা পক্ষীকূলৰ প্ৰজননস্থলীসমূহৰ ৰক্ষাৰ্থে এটা নতুন প্ৰকল্পত অনুমোদন জনাইছে। আজি নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় স্বচ্ছ গংগা অভিযানৰ কাৰ্যকৰী সমিতিৰ ৬৮ সংখ্যক বৈঠকতে এই প্ৰকল্পত অনুমোদন জনোৱা হয়। নমামি গংগে অভিযান দ্বিতীয়ৰ সৈতে সংগতি ৰাখি এই প্ৰকল্পই দীৰ্ঘম্যাদি নিৰীক্ষণ ব্যৱস্থা, সামুহিক অংশগ্ৰহণ আৰু প্ৰমাণ আধাৰিত সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। ৰাষ্ট্ৰীয় স্বচ্ছা গংগা অভিযানৰ সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰ মিট্টালে আজিৰ বৈঠকত অধ্যক্ষতা কৰে।

০০০০

কেন্দ্ৰীয় কৃষি, কৃষক কল্যান আৰু গ্ৰামীন বিকাশ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে পূৰ্বৰ এম জি এনৰেগা আঁচনিত থকা আসোঁৱাহসমূহ দূৰ কৰাৰ উদ্দেশ্যৰে কেন্দ্ৰীয় চৰকাৰে বিকশিত ভাৰত জি ৰাম জি আইন কাৰ্যকৰী কৰিছে। আজি উত্তৰাখণ্ডৰ গৌচৰত ৰাজ্যিক কৃষক দিৱস ২০২৫ অনুষ্ঠানত ভাষণ দি শ্ৰীচৌহানে কয়, যে পূৰ্বৰ আঁচনিখনে এশ দিনৰহে নিশ্চিত নিয়োগ প্ৰদান কৰিছিল আৰু নতুন আইনে এই নিশ্চিত ১২৫ দিনলৈ বৃদ্ধি কৰিলে।

উল্লেখযোগ্য যে বিকশিত ভাৰত গ্ৰামীণ জীৱিকা আৰু নিয়োগ নিশ্চিত যোজনা অৰ্থাৎ জি ৰামজি আইনে ৰাজ্যসমূহক ১৭ হাজাৰ কোটি টকা আবণ্টন দিছে। এই আইন ২০ বছৰ পুৰণি মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চয়তা আইন- এমজিএনৰেগা, ২০০৫-ৰ সলনি কাৰ্যকৰী কৰা হৈছে। ভাৰতীয় ষ্টেট বেংক- এছ বি আইৰ এটা গৱেষণা প্ৰতিবেদন অনুসৰি এই আইন কাৰ্যকৰী হোৱাৰ ফলত ৰাজ্যসমূহত পুঁজিৰ বিতৰণ অধিক উন্নত হ'ব। এই প্ৰতিবেদনত প্ৰকাশ পোৱা মতে এমজিএনৰেগাৰ সংশোধন আৰু নৱীকৰণৰ জৰিয়তে বিকশিত ভাৰত জি ৰামজিয়ে উন্নয়নৰ যাত্ৰাৰ ৰূপান্তৰমূলক ব্যৱস্থা আৰু কৌশলসমূহ সংহত কৰি তুলিব। এই আইনৰ দ্বাৰা প্ৰতিযোগিতামূলক প্ৰকল্প চিনাক্তকৰণ, উৎপাদনশীল সম্পদ সৃষ্টি, উপাৰ্জন বৃদ্ধি আৰু দক্ষ নিৰীক্ষণ ব্যৱস্থা গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। এছ বি আইৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ডঃ সৌম্যকান্তি ঘোষৰ নেতৃত্বত যুগুত কৰা এই প্ৰতিবেদনত বিকশিত ভাৰত জিৰামজি আইনে নিয়োগ সৃষ্টি ব্যৱস্থা শক্তিশালী কৰাৰ দিশত থকা পূৰ্ব দুৰ্বলতাসমূহ আঁতৰ কৰাৰ লগতে সমগ্ৰ প্ৰক্ৰিয়াটোক স্বচ্ছ, পৰিকল্পিত আৰু প্ৰতিটো পৰ্যায়ত জৱাবদিহি কৰি তুলিব। উল্লেখযোগ্য যে সংসদৰ শীতকালীন অধিৱেশনত দুয়োখন সদনে বিকশিত ভাৰত জি ৰামজি বিধেয়ক গৃহীত কৰিছিল আৰু ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বিধেয়কত অনুমোদন জনোৱাৰ পাছতে আইন হিচাপে কাৰ্যকৰী হৈছিল।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ- চি বি এছ্ ইয়ে ফেব্ৰুৱাৰীত হ'বলগীয়া কেন্দ্ৰীয় শিক্ষক যোগ্যতা নিৰূপণকাৰী পৰীক্ষা চি-টেটৰ একবিংশ সংস্কৰণৰ বাবে অনলাইন আবেদন সম্পূৰ্ণ কৰিব নোৱাৰা প্ৰাৰ্থীসকলক সকাহ প্ৰদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। চি বি এছ ইয়ে জাৰি কৰা অধিসূচনা অনুসৰি এই পৰীক্ষাৰ বাবে যোৱা ২৭ নৱেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ অনলাইন আবেদনৰ প্ৰক্ৰিয়া মুকলি আছিল যদিও সময়সীমা উকলি যোৱাৰ পাছত পৰিষদে প'ৰ্টেলৰ বিসংগতিৰ বাবে আবেদন সম্পূৰ্ণ কৰিব নোৱাৰা বুলি একাংশ শিক্ষাৰ্থীৰ পৰা অভিযোগ লাভ কৰিছিল। পৰিষদে বিষয়টো চালিজাৰি চাই পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰা অথচ আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰা এক লাখ ৬১ হাজাৰৰো অধিক শিক্ষাৰ্থীক আবেদন সম্পূৰ্ণ কৰাৰ সুযোগ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ যাদৱে আৰাৱলী পৰ্বতমালা সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে বিষয়সমূহ অধ্যয়নৰ বাবে নতুন সমিতি গঠনৰ বাবে লোৱা সিদ্ধান্তক আদৰণি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীযাদৱে কয় যে আৰাভালি পৰ্বতমালাৰ সুৰক্ষা আৰু পুনৰুদ্ধাৰৰ বাবে তেওঁৰ মন্ত্ৰালয়ৰ পৰা বিচৰা সকলো সাহায্য প্ৰদান কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়ালৈকে নতুন খনন লিজত দিয়াৰ লগতে বৰ্তমানৰ লীজ নবীকৰণৰ বাবেও খননৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা বলবৎ হৈ আছে।

০০০০

জম্মুৰ মৌলানা আজাদ ষ্টেডিয়াম স্কেটিং ৰিংকত আজিৰে পৰা সপ্তদশ জুনিয়ৰ ৰোল বল ৰাষ্ট্ৰীয় প্ৰতিযোগিতা আৰম্ভ হৈছে। দেশৰ ২৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰায় ৬০০ খেলুৱৈ আৰু কৰ্মকৰ্তাই এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। ৰোল বলক নতুন প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তোলা আৰু অঞ্চলটোৰ ক্ৰীড়া

সংস্কৃতিক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অসমৰ ল'ৰা আৰু ছোৱালীৰ দলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দোহাত অনুষ্ঠিত ফিডে ৱৰ্ল্ড ৰেপিড চেছ চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বাবে অৰ্জুন এৰিগাইছি আৰু কনেৰু হাম্পিক অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে দবা গ্ৰেণ্ডমাষ্টাৰসকলক খেলৰ প্ৰতি থকা নিষ্ঠাৰ বাবে প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁলোকৰ ভৱিষ্যতৰ কাম-কাজৰ বাবেও শুভেচ্ছা জনায়।

০০০০

ঃঃ সমাপ্ত ঃঃ